# বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহ আৰু এগৰাকী বিদ্বানৰ সান্নিধ্য

OOO

*এদিন উপাচাৰ্যৰ সভাপতিত্বত বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তি সভা অনুষ্ঠিত হৈ আছিল। তেখেতলৈ খবৰ আহিল যে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ওলাই গৈছে বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্যালয় ঘেৰাও কৰিবৰ বাবে। অধ্যাপক স'প'ৰীয়ে তৎক্ষণাৎ দিল্লী আৰক্ষী আয়ুক্তৰ স'তে যোগাযোগ কৰিলে আৰু অনুৰোধ কৰিলে যাতে তেওঁৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰে। এই কথা শুনি মই অত্যন্ত উৎফুল্লিত হ'লোঁ। এগৰাকী উপাচাৰ্যৰ দায়বদ্ধতা স'প'ৰীৰ এই পদক্ষেপে প্ৰমাণ কৰিলে* OOO

২৪ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অষ্টাবিংশতিতম দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰতাপজ্যোতি সন্দিকৈৰ নেতৃত্বত আৰু বিশ্ববিদ্যালয় সম্প্ৰদায়ৰ পূৰ্ণ সহযোগত অনুষ্ঠিত এই সমাৰোহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ দীক্ষান্ত সমাৰোহ। ২,৫০০ৰো অধিক গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰীৰ বাবে আৱেদন জনোৱা এই সমাৰোহ সেয়েহে বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ পৰিৱৰ্তে বিশ্ববিদ্যালয়ৰ খেলপথাৰত নিৰ্মিত প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলগীয়া হয়। এই সমাৰোহৰ আহ্বায়ক হিচাপে এই গোটেই প্ৰক্ৰিয়াটোৰ স'তে মই প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ সুযোগ পাইছিলোঁ। বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত শিক্ষক সমাজে সদায়েই সক্ৰিয় ভূমিকা পালন কৰে। বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য অধ্যাপক সন্দিকৈ এই বিশ্ববিদ্যালয়ৰে শিক্ষক হোৱাৰ উপৰি বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি হোৱা হেতুকে বিশ্ববিদ্যালয়ৰ সমূহ শিক্ষকক এই সমাৰোহত জড়িত কৰোৱাৰ ক্ষেত্ৰত তেখেতে নিজাববীয়াকৈ উদ্যোগ ল'লে। এই গোটেই অনুষ্ঠানটোৰ পৰিকল্পনাৰ পৰা আৰম্ভ কৰি শেষ পৰ্যায়লৈকে যাতে শিক্ষক সমাজে স্বতন্ত্ৰভাৱে কাম কৰিব পাৰে, সেই দিশটোৰ ক্ষেত্ৰত তেখেতে যথেষ্ট গুৰুত্ব দিলে।

অসম তথা দেশৰ এক জটিল ৰাজনৈতিক সন্ধিক্ষণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হৈছিল। গতিকে অত্যন্ত সাৱধানেৰে এই অনুষ্ঠানৰ পৰিকল্পনা কৰিবলগীয়া হৈছিল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকে ধৰি দীক্ষান্ত সমাৰোহ পৰিকল্পনাৰ স'তে জড়িত সকলোৱেই এটা সিদ্ধান্ত গ্ৰহণ কৰিছিল যে এই সমাৰোহ সঁচা অৰ্থতেই এক বিদ্যায়তনিক অনুষ্ঠান হ'ব লাগিব। তাৰ বাবে এগৰাকী অতি বিশিষ্ট শিক্ষাবিদক সমাৰোহৰ মুখ্য বক্তা হিচাপে আমন্ত্ৰণ কৰিব লাগিব। এই সিদ্ধান্তৰ লগত সংগতি ৰাখি আমি আমন্ত্ৰণ কৰিব বিচৰা মুখ্য অতিথিৰ এটা পেনেল প্ৰস্তুত কৰিলোঁ। তিনিজনীয়া এই পেনেলত আমি অৰ্থনীতিৰ নোবেল বঁটাপ্ৰাপক অধ্যাপক অভিজিত বেনাৰ্জী, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক সুধীৰ কুমাৰ স'প'ৰী আৰু দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক দীপক কুমাৰ নায়াৰৰ নাম অন্তৰ্ভুক্ত কৰিলোঁ। এই পেনেলক বিশ্ববিদ্যালয়ৰ আচাৰ্য মহোদয়েও অনুমোদন জনালে। পেনেলৰ ক্ৰম অনুসৰি প্ৰথমে অধ্যাপক অভিজিত বেনাৰ্জীৰ স'তে যোগাযোগ কৰিলোঁ। বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই প্ৰেৰণ কৰা নিমন্ত্ৰণী মেইলত আন সকলোবোৰ কথাৰ লগতে এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স'তে দুগৰাকী ভাৰতৰত্ন ক্ৰমে গোপীনাথ বৰদলৈ আৰু ড° ভূপেন হাজৰিকা জড়িত হৈ আছে। গোপীনাথ বৰদলৈ এই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে গঢ়ি উঠা গণ আন্দোলনৰ প্ৰধান নেতা আছিল আৰু ড° ভূপেন হাজৰিকাই বিশ্ববিদ্যালয়ৰ সংগীত ৰচনা কৰি বিশ্ববিদ্যালয়ৰ সামাজিক দলিল তৈয়াৰ কৰি দিছিল। ভাৰতবৰ্ষত বোধহয় এনেকুৱা বিশ্ববিদ্যালয় খুব কমেই আছে, যাৰ স'তে দুগৰাকী ভাৰতৰত্নৰ নাম আৰু অৱদান ইমান গভীৰভাৱে জড়িত হৈ আছে। বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহৰ মুখ্য অতিথি আছিল ভাৰতবৰ্ষৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন। বিশ্ববিদ্যালয়খনৰ দুটা মূল বিদ্যায়তনিক ভৱন উদ্বোধন কৰিছিল ক্ৰমে ভাৰতবৰ্ষৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদ আৰু ভাৰতবৰ্ষৰ প্ৰথমগৰাকী প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে। ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে নেতৃত্ব দিয়া স্বাধীন ভাৰতৰ প্ৰথমখন উচ্চ শিক্ষা আয়োগৰ সদস্যসকলে দেশৰ উচ্চ শিক্ষা সম্পৰ্কে মতামত গ্ৰহণ কৰিবৰ বাবে ১৯৪৯ চনৰ বোধহয় ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিছিল। মন কৰিবলগীয়া কথাটো হ'ল, সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বয়স আছিল মাত্ৰ এবছৰ।

নিমন্ত্ৰণ জনাবলৈ প্ৰেৰণ কৰা পত্ৰত এই সকলোবোৰ কথা উল্লেখ কৰা সম্ভৱ নহয়। কিন্তু এই যে দুগৰাকী ভাৰতৰত্ন এই বিশ্ববিদ্যালয়ৰে অন্যতম খনিকৰ, সেই কথা উল্লেখ কৰিছিল উপাচাৰ্যই। অধ্যাপক অভিজিৎ বেনাৰ্জীৰ কাৰ্যালয়ৰ পৰা উত্তৰ আহিল। আমাক জনালে যে আমি বিচৰা সময়ত তেখেত আহিব পৰা অৱস্থাত নাই, কাৰণ দীঘলীয়া সময়ৰ বাবে তেখেতৰ কাৰ্যসূচী তৈয়াৰ হৈ আছে। আমাৰ বাবে উৎসাহৰ কথা আছিল এয়ে যে অধ্যাপক বেনাৰ্জীৰ কাৰ্যালয়ে তৎকালেই আমাৰ চিঠিৰ উত্তৰ দিলে। সময়ৰ অসুবিধাৰ বাবেহে তেখেতে আমাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিব নোৱাৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ে ২০২২ চনত ৭৫ বছৰত ভৰি দিব আৰু সেই বছৰটো বিশ্ববিদ্যালয়ৰ বাবে মহাৰজত জয়ন্তী বৰ্ষ হ'ব। আমাৰ বিশ্বাস সেই অনুষ্ঠানলৈ অধ্যাপক অভিজিৎ বেনাৰ্জী অথবা অধ্যাপক অমৰ্ত্য সেনৰ দৰে কোনোবা এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা নোবেল বঁটাপ্ৰাপক ব্যক্তিক আমন্ত্ৰণ কৰি আনিব পাৰিব।

অধ্যাপক বেনাৰ্জীয়ে আমন্ত্ৰণ গ্ৰহণ কৰিবলৈ অপাৰগ হোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই অধ্যাপক সুধীৰ কুমাৰ স'প'ৰীক আমন্ত্ৰণ জনালে। অধ্যাপক স'প'ৰী আন্তৰ্জাতিক খ্যাতিসম্পন্ন এগৰাকী উদ্ভিদ বিজ্ঞানী। ২০১১ চনৰ পৰা ২০১৬ চনলৈ তেখেত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল। বৰ্তমানৰ হাৰিয়ানাৰ আম্বালাত জন্মগ্ৰহণ কৰা আৰু কাশ্মীৰত স্কুলীয়া তথা কলেজীয়া শিক্ষা গ্ৰহণ কৰা অধ্যাপক স'প'ৰীয়ে স্নাতকোত্তৰ শিক্ষা তথা পি এইচ ডিৰ কাম সম্পন্ন কৰিছিল দিল্লী বিশ্ববিদ্যালয়ত। ১৯৭৩ চনত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শিক্ষক হিচাপে যোগদান

## ধাৰাভাষ্য



■ ড° অখিল ৰঞ্জন দত্ত

কৰা অধ্যাপক স'প'ৰীয়ে নিষ্ঠা আৰু অধ্যৱসায়ৰ যোগেদি সমাজ বিজ্ঞানৰ প্ৰাধান্য থকা বিশ্ববিদ্যালয়খনত জীৱ আৰু উদ্ভিদ বিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণাক আন্তৰ্জাতিক পৰ্যায়লৈকে লৈ যোৱাত সক্ষম হ'ল। অধ্যাপক স'প'ৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য সন্দিকৈৰ এগৰাকী শুভচিন্তক আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু গৱেষণাৰ কৰ্ম তথা প্ৰতিষ্ঠানত দুয়োগৰাকী বিজ্ঞানীয়ে একেলগে কাম কৰিছে। মই পূৰ্বে অধ্যাপক স'প'ৰীক লগ পোৱা নাছিলোঁ আৰু তেখেতৰ ভাষণো শুনা নাছিলোঁ। গতিকে তেখেতৰ নাম ওলোৱাৰ লগে লগে মই ইউ টিউবত অধ্যাপক স'প'ৰীৰ এটা দীঘলীয়া সাক্ষাৎকাৰ চালোঁ। এই সাক্ষাৎকাৰটো ৰাজ্যসভা টিভিৰ। সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল অধ্যাপক স'প'ৰীয়ে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ ঠিক আগে আগে অথবা তাৰ ঠিক পিছতেই। সাক্ষাৎকাৰৰ বিষয় আছিল অধ্যাপক স'প'ৰীৰ জীৱন আৰু বিদ্যায়তনিক পৰিক্ৰমা। সুদৰ্শন চেহেৰা আৰু শান্ত-সমাহিত ব্যক্তিত্ব। তেখেতে নিজৰ জীৱনৰ বহু দিশৰ বিষয়ে আলোকপাত কৰাৰ লগতে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰিলে। সেই সম্পৰ্কে মই কিছু কথা বহলাই ক'ম। তেখেতৰ নিমন্ত্ৰণ নিশ্চিত হোৱাৰ ঠিক আগে আগে মই দিল্লী বিশ্ববিদ্যালয়ৰ মোৰ এগৰাকী ঘনিষ্ঠ বন্ধুৰ স'তে কথা পাতিলোঁ। তেখেতে মোক এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা ক'লে। এদিন উপাচাৰ্যৰ সভাপতিত্বত বিশ্ববিদ্যালয়ৰ শিক্ষক নিযুক্তি সভা অনুষ্ঠিত হৈ আছিল। তেখেতলৈ খবৰ আহিল যে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ওলাই গৈছে বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্যালয় ঘেৰাও কৰিবৰ বাবে। অধ্যাপক স'প'ৰীয়ে তৎক্ষণাৎ দিল্লী আৰক্ষী আয়ুক্তৰ স'তে যোগাযোগ কৰিলে আৰু অনুৰোধ কৰিলে যাতে তেওঁৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰে। এই কথা শুনি মই অত্যন্ত উৎফুল্লিত হ'লোঁ। এগৰাকী উপাচাৰ্যৰ দায়বদ্ধতা স'প'ৰীৰ এই পদক্ষেপে প্ৰমাণ কৰিলে।

২০২০ চনৰ ১১ জানুৱাৰীত অধ্যাপক স'প'ৰীৰ এক দীঘলীয়া সাক্ষাৎকাৰ প্ৰকাশ পাইছে। (ANI, New Delhi) এই সাক্ষাৎকাৰৰ শিৰোনাম 'Violence was never part of JNU culture, says former VC Sudhir Kumar Sopory'। এই সাক্ষাৎকাৰত তেখেতে কৈছে— The culture of violence was never there. Discussion, debate, demonstrations and ofter that decisions– we used to do this. There are different components of the institution– students, teachers, workers, others. The final decision is taken in the interest of all and the institution, that's important.

২৩ ফেব্ৰুৱাৰী আৰু ২৪ ফেব্ৰুৱাৰীত উপাচাৰ্য, পঞ্জীয়ক তথা আৰু কেইবাগৰাকী শিক্ষকৰ লগতে ময়ো অধ্যাপক স'প'ৰীক কেইবাবাৰো লগ পালোঁ। ২৪ ফেব্ৰুৱাৰীত দীক্ষান্ত সমাৰোহৰ পিছত তেখেতে বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ স'তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইবাটাও বিভাগ চাবলৈ গ'ল। আমাৰ বিভাগলৈকো আহিল আৰু বিভাগৰ শিক্ষকসকলৰ লগত বহি অতি আন্তৰিকতাৰে কথা-বাৰ্তা পতাৰ উপৰি একাপ চাহ খালে। সেইদিনা সন্ধিয়া উপাচাৰ্য আৰু পঞ্জীয়কৰ লগতে আমি কেইজনমান শিক্ষক তেখেতক লগ ধৰিবলৈ গ'লোঁ আৰু প্ৰায় ডেৰ ঘণ্টা কথা পাতিলোঁ। তেখেতে নিজৰ ফালৰ পৰা আগতীয়াকৈ কথা নকয়। কিন্তু প্ৰশ্ন উত্থাপন কৰিলে অতি বিনম্ৰতাৰে আৰু অতি স্পষ্টভাৱে প্ৰশ্নবোৰৰ উত্তৰ দিয়ে। আনসকলৰ লগতে ময়ো তেখেতৰ সন্মুখত বহু প্ৰশ্ন উত্থাপন কৰিলোঁ। তাৰ ভিতৰত দুটা গুৰুত্বপূৰ্ণ প্ৰশ্ন মই তেখেতক সুধিছিলোঁ। তেখেতৰ কাৰ্যকালত চৰকাৰৰ স'তে বিশ্ববিদ্যালয়ৰ সম্পৰ্ক কেনে আছিল আৰু বিশ্ববিদ্যালয়খনক কি নতুন চিন্তাৰে তেখেতে আগবঢ়াই নিয়াৰ প্ৰয়াস কৰিছিল।

মই যি বুজিলোঁ তেখেতে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰ চৰিত্ৰ অটুট ৰখাৰ লগতে চৰকাৰৰ পৰা প্ৰাপ্য সুবিধা আদায়ৰ বাবে নিষ্ঠাৰে চেষ্টা কৰিছিল। তেখেতৰ উদ্যোগত Disaster Managementৰ এটা ডাঙৰ প্ৰজেক্ট চৰকাৰৰ পৰা লাভ কৰিছিল। কিন্তু এই প্ৰজেক্ট কেৱল বৈজ্ঞানিক, কৌশল অথবা প্ৰযুক্তি প্ৰয়োগৰ মাজত সীমাবদ্ধ নাছিল। তাৰ পৰিৱৰ্তে দুৰ্যোগ নিবাময়ৰ বেলিকা সামাজিক-আৰ্থিক আৰু মনঃস্তাত্বিক দিশবোৰে এই প্ৰজেক্টত অধিক গুৰুত্ব লাভ কৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে এই প্ৰজেক্টৰ বাবে অৰ্থৰ যোগান ধৰিছিল কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে। সেই সময়ৰ গৃহ ৰাজ্যমন্ত্ৰী কিৰেন ৰিজিজুৱে এইক্ষেত্ৰত যথেষ্ট সহায় কৰা বুলি তেখেতে উল্লেখ কৰিলে।

দ্বিতীয় প্ৰশ্নটো আছিল— বিভিন্ন বিভাগৰ মাজত চিন্তাৰ আদান-প্ৰদান আৰু সমন্বয়ৰ ক্ষেত্ৰত তেখেতে কেনে ভূমিকা গ্ৰহণ কৰিছিল। এইক্ষেত্ৰত তেখেতে অত্যন্ত সক্ৰিয় ভূমিকা পালন কৰিছিল। বিজ্ঞানৰ লেব'ৰেটৰীলৈ সমাজ বিজ্ঞানৰ শিক্ষক-গৱেষক আৰু সমাজ বিজ্ঞানৰ আলোচনালৈ বিজ্ঞানৰ শিক্ষক-গৱেষকক আমন্ত্ৰণ কৰিছিল। সেই সভাবোৰত তেখেত নিজেই উপস্থিত আছিল, কিন্তু কোনো বক্তৃতা দিয়া নাছিল। তাৰ পৰিৱৰ্তে তেখেত আছিল নীৰৱ শ্ৰোতা। এই আলোচনাই চিন্তাৰ নতুন নতুন দুৱাৰ খুলি দিছিল। তেখেতে অকপটে স্বীকাৰ কৰিলে যে এই আলোচনাসমূহৰ দ্বাৰা তেখেত ব্যক্তিগতভাৱে অত্যন্ত উপকৃত হৈছিল।

অধ্যাপক স'প'ৰীৰ মতে চিন্তাৰ আদান-প্ৰদান আমাৰ সকলোৰে বাবেই আছিল অত্যন্ত অনুপ্ৰেৰণাদায়ক। তেখেতৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

(লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক)

ফোন : ৯৪৩৫৭-৩১৬৮৬